# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :13-**12-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২১ ডিচেম্বৰত নামৰূপৰ এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ উদ্দেশ্যে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত আজি চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন বিশেষ আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰীগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে অলপতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ক্ষেত্ৰ পৰিদৰ্শন কৰি সমগ্ৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। তেওঁ উচ্চ পদস্থ বিষয়াবৰ্গৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকতো মিলিত হৈছিল। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলেও নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বলৈ মিলিত হৈছে।

০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অহা ২৯ ডিচেম্বৰত ঐতিহাসিক বটদ্ৰৱা প্ৰকল্পৰ উদ্বোধন কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ এই কাৰ্যসূচী সুকলমে আয়োজন কৰাৰ লক্ষ্যৰে আজি মন্ত্ৰী পিযুষ হাজৰিকাই প্ৰকল্পস্থলী পৰ্যবেক্ষন কৰে। মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী আৰু শশীকান্ত দাসৰ সৈতে তেওঁ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাম-কাজসমূহৰ অগ্ৰগতিৰ বুজ লয়। বটদ্ৰৱা থানখনক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰ কৰাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি মন্ত্ৰী পিযুষ হাজৰিকাই উল্লেখ কৰে।

**বাইট**

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত অনুষ্ঠিত হৈ থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত হৈ নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে গ্ৰন্থ অধ্যয়নৰ অভ্যাসেহে এখন সমাজ শক্তিশালী কৰিব পাৰে। বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীখনত সফলতাৰে বৰ্তি থাকিবলৈ হ'লে অধ্যয়নৰ বিকল্প একো নাই

বুলি তেওঁ উল্লেখ কৰে। বিয়লিৰ ভাগলৈ গ্ৰন্থমেলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ গীতিসাহিত্য আৰু গায়নশৈলী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মাজুলী সংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই এই আলোচনা সত্ৰখন উদ্বোধন কৰে।

০০০০০০

ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰহাটকৰ আজি  শোণিতপুৰ জিলাত উপস্থিত হৈ জিলাখনত ৰূপায়ন হৈ থকা চৰকাৰী আঁচনিসমূহ আৰু মহিলা সৱলীকৰণৰ দিশসমূহ পৰ্যালোচনা কৰে। অধ্যক্ষাগৰাকীয়ে আজি পুৱা শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী আৱাস যোজনা, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনি, অৰুণোদয়, লাখপতি বাইদেউ আদি আঁচনিসমূহৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ এই আঁচনিসমূহৰ জৰিয়তে হিতাধিকাৰীসকলৰ জীৱন ধাৰণৰ মান আৰু সামাজিক মৰ্যাদা কিদৰে পৰিৱৰ্তন হৈছে সেই বিষয়ে বুজ লয়। ইয়াৰ পিছতে বিজয়া ৰহাটকৰে দৰং মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত পঞ্চায়তৰ মহিলা প্ৰতিনিধিসকলৰ বাবে আয়োজন কৰা **চেঞ্জ মেকাৰ** শীৰ্ষক সজাগতা কৰ্মশালা উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ বিকশিত ভাৰত নিৰ্মাণত মহিলাৰ ভূমিকা অপৰিসীম বুলি উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিব ড° বি কল্যান চক্ৰৱৰ্তী, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অতিৰিক্ত সচিব ৰাধিকা চক্ৰৱৰ্তী, ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ জয়পুৰত ব্ৰহ্মপুত্ৰত নিৰুদ্দেশ হোৱা ৫ গৰাকী লোকৰ ভিতৰত এজন লোকৰ মৃতদেহ আজি উদ্ধাৰ হৈছে। খাৰঘুলিৰ জাইকা প্ৰকল্পৰ ওচৰত উদ্ধাৰ হোৱা লোকজনক বঙাইগাওঁ জিলাৰ ৰৌনাক চন্দক বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। নিখোজ লোককেইজনৰ সন্ধানত এন ডি আৰ এফ বাহিনীয়ে চলাই থকা অভিযানৰ মাজতে আজি ৰৌনাক চন্দকৰ মৃতদেহ উদ্ধাৰ হয়।

০০০০০০

**ঃঃ সমাপ্ত ঃঃ**